# 2020

## ASSAMESE

( Major )

Paper : 6.4

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমু উত্তৰ দিয়া : ১×৭=৭

(ক) অসমীয়া সাহিত্যলৈ চুটিগল্প কোন যুগৰ অৱদান ?

(খ) 'আৱাহন' আলোচনীখনৰ পৃষ্ঠপোষক কোন আছিল ?

(গ) 'অশান্ত ইলেক্ট্ৰন', 'বীণা কুটীৰ' আৰু 'এহাত ডাবা' আদি চুটিগল্প কোনে ৰচনা কৰিছিল ?

(ঘ) 'অঘৰী আত্মাৰ কাহিনী' উপন্যাসৰ ৰচয়িতা কোন ?

(ঙ) বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যই কোনখন উপন্যাস ভাৰতৰ স্বাধীনতা আন্দোলনৰ পটভূমিত ৰচনা কৰিছিল ?

(চ) 'অন্তৰীপ' আৰু 'ৰম্যভূমি' উপন্যাসৰ ৰচয়িতা কোন ?

(ছ) 'দেওলাংখুই' উপন্যাসত কোনটো জনগোষ্ঠীৰ কথা বৰ্ণিত হৈছে ?

২। চমু উত্তৰ দিয়া : ২×৪=৮

(ক) লক্ষ্মীনন্দন বৰাই ৰচনা কৰা দুখন চুটিগল্প সংকলনৰ নাম লিখা।

(খ) 'চিৰাজ' আৰু 'কাঠফুলা' গল্প দুটা কোনে কোনে ৰচনা কৰিছিল?

(গ) প্ৰথম অসমীয়া উপন্যাসখনৰ নাম কি? উপন্যাসখন কেতিয়া প্ৰকাশ পাইছিল?

(ঘ) য়েচে দৰজে ঠংচিয়ে ৰচনা কৰা দুখন উপন্যাসৰ নাম লিখা।

৩। যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ লিখা : ৫×৩=১৫

(ক) 'ব্যৰ্থতাৰ দান' গল্পৰ মাজেৰে আদৰ্শ প্ৰেমৰ স্বৰূপ কিদৰে ফুটি ওলাইছে, আলোচনা কৰা।

(খ) 'সখা দামোদৰ' গল্পৰ মাজেৰে গৰু আৰু খেতিয়কৰ সম্বন্ধ কিদৰে ফুটি ওলাইছে, বৰ্ণনা কৰা।

(গ) "চোতালৰ ধোঁৱা বৰণীয়া পলসুৱা কোমল মাটিত পাভমাছ যেন লগা সেই ভৰি দুটি—পৰি সেৱা কৰিবৰ মন যায়।" বাক্যটোত কাৰ ভৰিৰ কথা উল্লেখ কৰা হৈছে? সেই ভৰিত কাৰ, কিয় সেৱা কৰিবৰ মন যায়?

(ঘ) 'মামৰে ধৰা তৰোৱাল' উপন্যাসৰ মাজেৰে ক্ষুধা আৰু দাৰিদ্ৰ্যৰ ছবি কিদৰে ফুটি ওলাইছে, আলোচনা কৰা।

(ঙ) অসমীয়া ঐতিহাসিক উপন্যাসলৈ ৰজনীকান্ত বৰদলৈৰ অৱদান সম্পৰ্কে চমুকৈ লিখা।

৪। (ক) আৰাহন যুগৰ চুটিগল্প সম্বন্ধে এটি আলোচনা যুগুত কৰা। ১০

*অথবা*

(খ) প্ৰাক্-স্বাধীনতা কালৰ অসমীয়া উপন্যাস সম্পৰ্কে এটি নিবন্ধ যুগুত কৰা।

৫। (ক) 'ব্যৰ্থতাৰ দান' গল্পৰ আধাৰত লিলি আৰু ললিতৰ চৰিত্ৰ পৰ্যালোচনা কৰা। ১০

*অথবা*

(খ) দিবাকৰৰ জীৱনলৈ অহা নাৰীৰ সংস্পৰ্শই দিবাকৰৰ জীৱনত কেনেকুৱা প্ৰভাৱ পেলাইছে, আলোচনা কৰা।

৬। (ক) ''মামণি ৰয়চম গোস্বামী মূলতঃ মানৱতাবাদী লেখিকা।'' তোমাৰ পাঠ্যৰ অন্তৰ্গত উপন্যাসৰ আধাৰত কথাষাৰ বিচাৰ কৰা। ১০

*অথবা*

(খ) 'মামৰে ধৰা তৰোৱাল'ত বৰ্ণিত শ্ৰমিকৰ ধৰ্মঘট আৰু তাৰ ফলাফল সম্বন্ধে আলোচনা কৰা।

★★★